# চৰ্যাপদৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য

কলিকতাৰ এচিয়াটিক চ'চাইটিৰ হকে পুথিসংগ্ৰহৰ কামত নেপাললৈ যোৱা পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰীয়ে ১৯০৭ চনত নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰপৰা 'চৰ্য্যাচৰ্য্য-বিনিশ্চয়' নামৰ এখন মূল্যবান পুথি সংগ্ৰহ কৰি আনে। শাস্ত্ৰীয়ে 'ডাকাৰ্ণৱ', 'চৰ্য্যাচৰ্য্য-বিনিশ্চয়', সৰোজ বজ্ৰৰ 'দোহাকোষ' আৰু কৃষ্ণচাৰ্যৰ 'দোহাকোষ' নামৰ পুথিকেইখন একেলগে সম্পাদনা কৰি 'হাজাৰ বছৰেৰ পুৰাণ বাংলা ভাষায় বৌদ্ধগান ও দোহা' নামেৰে ১৯১৬ চনত প্ৰকাশ কৰে। অৱশ্যে হৰপ্ৰসাদ শাস্ত্ৰীয়ে উদ্ধাৰ কৰা 'চৰ্য্যাচৰ্য্য-বিনিশ্চয়' পুথিখন আচাৰ্য মুনিদত্তই টীকা লিখা পুথিহে — পুথিখনৰ নাম 'চৰ্য্যাগীতিকোষ বৃত্তি'। পণ্ডিতসকলে মূল গ্ৰন্থখনৰ নাম 'চৰ্য্যাগীতিকোষ' বুলি মত দিছে। শাস্ত্ৰীয়ে সংগ্ৰহ কৰা গ্ৰন্থখনত ২৩ গৰাকী সিদ্ধাচাৰ্যৰ ৰচিত ৫০ টা গীত বা দোহা আছে। গ্ৰন্থখনৰ গীত বা দোহাসমূহক তেওঁ 'বৌদ্ধ-কীৰ্তন' আৰু 'বৌদ্ধ-সংকীৰ্তন' বুলি আখ্যা দিছে। এই দোহাসমূহ বৌদ্ধ সহজযান পন্থৰ ধৰ্মসাধনৰ গীত আৰু ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যেই গীতিকাৰসকলে এইবোৰ ৰচনা কৰিছিল। খ্ৰীষ্টীয় অষ্টম-নৱম শতিকাৰপৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত বুলি অনুমান কৰা চৰ্যাপদত অসমীয়া, বঙলা, উড়ীয়া, মৈথিলী আদি ভাষাৰ নিদৰ্শন আছে। কিয়নো নব্য-ভাৰতীয় আৰ্যভাষা হিচাপে এই ভাষাবোৰে স্বতন্ত্ৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ পূৰ্বস্তৰৰ ভাষিক নিদৰ্শন চৰ্যাপদবোৰে বহন কৰি আছে। পণ্ডিতসকলে থিৰাং কৰিছে যে বঙলা, উড়ীয়া, মৈথিলী আদি ভাষাবোৰৰ দৰে চৰ্যাপদবোৰ অসমীয়া লিখিত সাহিত্যৰো প্ৰথম নিদৰ্শন। চৰ্যাপদৰ ভাষা বিশ্লেষণ কৰিলে সেইবোৰৰ ভাষাৰ লগত অসমীয়া ভাষাৰ অবিচ্ছিন্ন সম্পৰ্ক ৰক্ষিত হোৱা পৰিলক্ষিত হয়। ড° উপেন্দ্ৰনাথ গোস্বামীদেৱৰ ভাষাত, 'চৰ্যাপদৰ ভাষাত অসমীয়া ভাষাৰ ৰূপ আৰু অসমীয়া ভাষাৰ প্ৰত্নৰূপ এই দুয়োটাই সংৰক্ষিত হৈছে।'

চৰ্যাপদসমূহৰ বিষয়বস্তু সাঁথৰৰ দৰে ৰহস্যময়। এইবোৰৰ বাহ্যিক অৰ্থ সহজ যদিও প্ৰতিটো চৰ্যাৰে গূঢ়াৰ্থ বা মৰ্মাৰ্থ বুজা জটিল। ড° মহেশ্বৰ নেওগদেৱে কৈছে, 'চৰ্যাগীতবোৰৰ বিষয়বস্তু ৰহস্যময়ভাৱে গূঢ় প্ৰকৃতিৰ, কাৰণ সিবোৰত সহজযানৰ

গুপ্ত সাধনতত্ত্ব নিহিত আছে আৰু ৰহস্যময় ভাষাত সাধনৰ পথো নিৰ্দেশ কৰা আছে। ইয়াৰ ভাষাতো ইচ্ছাকৃত জটিলতা বৰ্ত্তমান; কাৰণ সেই ভাষা সাংকেতিক, যাৰে তাৰে বাবে নহয়; সি বোবা গুৰুৱে কলা শিষ্যক বুজোৱা কিছুমান ইঙ্গিত মাত্ৰ।' গুৰুৰ সহায় নললে চৰ্যাপদৰ অভীষ্ট মৰ্মাৰ্থ উদঘাটন কৰা কঠিন। প্ৰথম চৰ্যাপদটিতে সেয়েহে কোৱা হৈছে, 'লুই ভণই গুৰু পুচ্ছিঅ জান।' চৰ্যাপদত বৌদ্ধধৰ্মৰ দাৰ্শনিক তত্ত্ব আৰু ধৰ্মীয় আচাৰ-বিধিসমূহ বিশ্লেষণ কৰা হৈছে। নিৰ্বাণ প্ৰাপ্তিয়েই হৈছে বৌদ্ধধৰ্মৰ মূলমন্ত্ৰ – এই নিৰ্বাণ পৰম সুখময় নিৰ্বাণ। 'নিৰ্বাণ লাভ' বা 'মহাসুখলাভ'ৰ বিভিন্ন পন্থা বা উপায় চৰ্যাগীতবোৰৰ জৰিয়তে ব্যক্ত কৰা হৈছে। চৰ্যাগীতৰ গভীৰ তত্ত্বমূলক কথাসমূহ নানা উপমা, ৰূপক আদিৰ সহায়ত ব্যাখ্যা কৰা হৈছে বাবে ইয়াৰ ভাষা হৈ পৰিছে প্ৰতীকধৰ্মী। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে চৰ্যাগীতৰ ভাষাক 'সন্ধ্যা ভাষা' বা 'সান্ধ্য ভাষা' বুলি অভিহিত কৰিছে। ড° পৰীক্ষিত হাজৰিকা দেৱৰ ভাষাত, 'চৰ্য্যাপদৰ ভাষা কামৰূপী অপভ্ৰংশৰ ঝুমুঠিত ধৰ্মীয় প্ৰলেপ সনা এটি ৰহস্যপূৰ্ণ সাহিত্যিক ভাষা । ইয়াৰ মূল ধৰ্ম-তত্ত্ব যিদৰে ৰহস্যপূৰ্ণ, ভাষাও সেইদৰে ৰহস্যপূৰ্ণ।' ৰহস্যময় সাংকেতিক ভাষাৰ আৱৰণেৰে আধ্যাত্মিক ভাবসম্পন্ন ৰূপকধৰ্মী চৰ্যাপদবোৰৰ ঐতিহাসিক মূল্য অপৰিসীম।

অসমীয়া ভাষাৰ বৈশিষ্ট্য চৰ্যাপদবোৰত কেনেধৰণে ৰক্ষিত হৈছে, সেই বিষয়ে ড° বাণীকান্ত কাকতি, ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা, ড° উপেন্দ্ৰনাথ গোস্বামী, ড° পৰীক্ষিত হাজৰিকা আদি প্ৰথিতযশা পণ্ডিতসকলে বিশ্লেষণ কৰি দেখুৱাইছে। তেখেতসকলৰ পাণ্ডিত্যপূৰ্ণ আলোচনাক আধাৰ কৰি লৈয়ে চৰ্যাপদৰ ভাষাগত (ধ্বনিগত, ৰূপগত, বাক্যবিন্যাসগত আৰু শব্দগত) বৈশিষ্ট্যৰ বিষয়ত আলোকপাত কৰিবলৈ বিচৰা হৈছে।

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অযুগ্ম উষ্মবৰ্ণ তিনিটা শ, ষ, স অসমীয়াত পশ্চ-তালব্য উষ্ম বৰ্ণ লৈ ৰূপান্তৰিত হৈছে। চৰ্যাপদতো এই বৰ্ণ তিনিটাৰ ব্যৱহাৰ আছে যদিও সেইবোৰে সুকীয়া বৰ্ণ একোটাক প্ৰতিনিধিত্ব কৰা নাই। যেনে, শবৰ, ষবৰালী, সবৰ। বেছিভাগ চৰ্যাগীততে শ, স -ৰ সলনি 'ষ' আৰু শ-ৰ সলনি 'স'ৰ ব্যৱহাৰ হৈছে। যেনে - ষষধৰ (শশধৰ), ষামাঅ (সোমায়), ষিআলা (শিয়াল), সাসু (শাহু), সুন (শুন) ইত্যাদি। কেতিয়াবা আকৌ 'শ'ৰ ঠাইত 'হ' বহিছে। যেনে, দহদিহে

(দশদিশে)।

(খ) প্ৰাচীন অসমীয়াৰ দৰে চৰ্যাপদতো 'য়' শ্ৰুতিৰ ব্যৱহাৰ সীমিত। যেনে, ন জাই (নাযায়), পাৰ কৰই (পাৰ কৰয়), পিবই (পিবয়) ইত্যাদি।

(গ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাত থকা দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ পাৰ্থক্য লোপ হৈ অসমীয়া ভাষাত এইবোৰ দন্তমূলীয় ধ্বনিলৈ ৰূপান্তৰ হৈছে। চৰ্যাপদতো দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ পাৰ্থক্যহীনতা লক্ষ্য কৰা যায়। যেনে — মণ, মন (চৰ্যা ২০, ৩০)।

(ঘ) সংস্কৃতৰ মুঠ চৈধ্যটা স্বৰধ্বনিৰ ঠাইত অসমীয়াত আঠোটা স্বৰধ্বনিহে প্ৰয়োগ হয়। চৰ্যাপদত সংস্কৃতৰ ঋ, ৠ, ৯, ৡ স্বৰধ্বনিকেইটাৰ বাহিৰে আন সকলোবোৰ স্বৰধ্বনিৰ ব্যৱহাৰ পোৱা গৈছে আৰু এই ধ্বনিসমূহৰ প্ৰয়োগৰ বৈশিষ্ট্য আছে। 'ঋ' ধ্বনি কেতিয়াবা অ, আ, ই, উ আৰু ৰ ধ্বনিলৈ পৰিৱৰ্তিত হৈ ব্যৱহাৰ হৈছে। অ - ৰ ঠাইত আ, উ, ও; আ- ৰ ঠাইত অ, উ, ও; ই - ৰ ঠাইত এ; উ - ৰ ঠাইত আ; ও -ৰ ঠাইত অ, উ, ঐ ধ্বনিৰ প্ৰয়োগ হোৱাটো চৰ্যাপদৰ অন্যতম ধ্বনিতাত্ত্বিক বিশেষত্ব।

(ঙ) সংস্কৃতৰ স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ মাত্ৰা লোপ হোৱাৰ প্ৰৱণতা পালি-প্ৰাকৃত স্তৰতে দেখা দিছিল আৰু অসমীয়াত স্বৰৰ মাত্ৰাৰ বৰ্ণগত মৰ্যাদা সম্পূৰ্ণভাৱে নোহোৱা হৈছে। চৰ্যাপদতো স্বৰবৰ্ণৰ হ্ৰস্ব আৰু দীৰ্ঘ মাত্ৰাৰ পাৰ্থক্য ৰক্ষিত হোৱা নাই। যেনে, পঞ্চ - পাঞ্চ, উজু - উজূ; কাপালী - কাপালি, ডোম্বী - ডোম্বি ইত্যাদি।

(চ) চৰ্যাপদত ক্ষ - ত বাহিৰে অসমীয়াৰ আটাইবোৰ ব্যঞ্জনবৰ্ণৰ ব্যৱহাৰ আছে। সৰলীকৰণ প্ৰক্ৰিয়াৰ প্ৰভাৱত চৰ্যাপদত কেতিয়াবা ব্যঞ্জনধ্বনিৰ ঠাইত স্বৰধ্বনিৰ প্ৰয়োগ হোৱা দেখা যায়। যেনে — সঅল (সকল); জোইনি (যোগিনী); গোঅৰ (গোচৰ); ৰঅণি (ৰজনী) ইত্যাদি।

(ছ) মান্য অসমীয়া ভাষাৰ কোনো শব্দত ওচৰা-উচৰিকৈ দুটা আ-ধ্বনি থাকিলে পূৰ্বৱৰ্তী অক্ষৰৰ আ-ধ্বনি অ-ধ্বনিলৈ ৰূপান্তৰ হয়। চৰ্যাপদতো এই বৈশিষ্ট্য আছে। যেনে - চাকা>চকা, আপা>অপা, বাপা>বপা, কাপালী>কপালী ইত্যাদি।

(জ) অসমীয়া ভাষাত সমীভৱন, স্বৰ-সংগতি, স্বৰ-ভক্তি, বৰ্ণ-বিপৰ্যয়, লোপ, আগম আদি ধ্বনিতাত্ত্বিক প্ৰক্ৰিয়াৰ যোগেদি হোৱা ধ্বনিগত পৰিৱৰ্তনৰ উদাহৰণ চৰ্যাপদতো আছে। যেনে — অগ্নি>অগ্‌গি>আগ (সমীভৱন); উদাস>উআস, ঈদৃশ>অইস (স্বৰ-সংগতি) ; প্ৰাণ>পৰাণ, গ্ৰাহক>গৰাহক (স্বৰ-ভক্তি); গৃহ>ঘৰ, মৃণাল>মোলাণ (বৰ্ণ-বিপৰ্যয়); অলাবু>লাউ, উল্লাস>উলাস্ (স্বৰ-লোপ);



Scanned with CamScanner

যোগাচাৰে>আচাৰে, ভঙ্গ>ভাগ>অভাগে (স্বৰাগম) ইত্যাদি।

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) চৰ্যাপদত অসমীয়া ভাষাৰ আটাইবোৰ কাৰকবাচক বিভক্তিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। যেনে –

| | | |
|---|---|---|
| প্ৰথমা | - এ | কুম্ভীৰে খাঅ, চোৰে নিল (চৰ্যা ২) |
| দ্বিতীয়া | - ক | ঠাকুৰক পৰিনিৱিত্তা (চৰ্যা ১২) |
| তৃতীয়া | - এ | জে জে উজুবাটে গেলা (চৰ্যা ১৫) |
| চতুৰ্থী | - লৈ | কুললই (চৰ্যা ৩৮), মেৰু শিখৰ লই (চৰ্যা ৪৭) |
| ষষ্ঠী | - ৰ | হৰিণীৰ নিলঅ (চৰ্যা ৬) |
| সপ্তমী | - ত, - এ | হাড়ীত ভাত নাহি (চৰ্যা ৩৩) |
| | | চঞ্চল চীএ পইঠা কাল (চৰ্যা ১) |

কৰণ কাৰকৰ – ৰে, – এৰে - ৰ ঠাইত কৰ্তা কাৰকৰ প্ৰথমা - এ বিভক্তি ব্যৱহাৰ হৈছে। কেতিয়াবা ষষ্ঠী বিভক্তিৰূপে - ক (ছান্দক বান্ধ) আৰু সপ্তমী বিভক্তি ৰূপে - হি (হিঅহি কিছু জানয়ে নাহি) ব্যৱহাৰ হৈছে। কৰ্তা, কৰ্ম, কৰণ আৰু অধিকৰণ কাৰক বাক্যত কেতিয়াবা বিভক্তি যোগ নোহোৱাকৈ প্ৰয়োগ হৈছে। যেনে, (যথাক্ৰমে) - কাআ তৰুবৰ পঞ্চ বি ডাল (চৰ্যা ১), বাঢ়ই সো তৰু সুভাসুভ পানী (চৰ্যা ৪৫), বেঢ়িল হাক পৰঅ চৌদীস (চৰ্যা ৬), কামৰু জাঅ (চৰ্যা ২)।

(খ) অসমীয়াত ধাতুৰ পাচত 'ই' আৰু তৃতীয় পুৰুষৰ স্বৰূপভূত কালৰ ইলে, – ইলা প্ৰত্যয় যোগ দি অসমাপিকা ক্ৰিয়া গঠন কৰা হয়। চৰ্যাপদতো অসমাপিকা ক্ৰিয়া গঠনৰ প্ৰক্ৰিয়া একে। যেনে – গই, কৰি, দেখি, উঠি, মেলি, মইলে, ভইলে, জে জে আইলা তে তে গেলা ইত্যাদি।

(গ) অসমীয়াৰ দৰে চৰ্যাপদত – ইলি, -ইল, -ইলা, - ইলো কালবাচক প্ৰত্যয়ৰ সংযোগত অতীত কাল আৰু – ইব প্ৰত্যয় সংযোগ কৰি ভৱিষ্যত কালৰ ভাব প্ৰকাশ কৰা হৈছে। যেনে – মেলিলি, নিল, ভইলা, অচ্ছিলোঁ, কৰিব, খাইব, জাইব ইত্যাদি।



Scanned with CamScanner

(ঘ) বৰ্তমান কালৰ – ওঁতে, কৃদন্তৰ প্ৰয়োগ চৰ্যাপদত আছে। যেনে -- উজু বাট জাঅন্তে (চৰ্যা ১৫)।

(ঙ) চৰ্যাপদত কেতিয়াবা বৰ্তমান কালৰ তৃতীয় পুৰুষত - অন্তি বিভক্তিৰ ব্যৱহাৰ হোৱা দেখা যায়। যেনে -- ভমন্তি, হোন্তি (চৰ্যা ২২)।

(চ) ধাতু বা ক্ৰিয়াৰ আগত নাস্ত্যৰ্থক 'ন' যোগ দি ক্ৰিয়া সাধন কৰাৰ বৈশিষ্ট্য অসমীয়াৰ দৰে চৰ্যাপদতো দেখা যায়। যেনে -- নজাই, নজানি, নচাৰঅ, নমেলই ইত্যাদি।

(ছ) অসমীয়া স্ত্ৰীপ্ৰত্যয় 'ঈ' আৰু 'নী'ৰ প্ৰয়োগ চৰ্যাপদত পৰ্যাপ্ত পৰিমাণে আছে। যেনে - শবৰী, শিআলী, বাপুড়ী, শুণ্ডিনি, হৰিণী ইত্যাদি।

(জ) কেতিয়াবা সংখ্যাবাচক শব্দ, কেতিয়াবা বিশেষণ, ক্ৰিয়া বিশেষণ আৰু কেতিয়াবা দ্বিৰুক্ত বিশেষ্যৰ সংযোগত চৰ্যাপদত বহুবচনৰ ৰূপ গঠন হৈছে। যেনে - - দুই ঘৰে, উচাঁ উঁচা পাবত, জো যো চোৰ, ৰাআ ৰাআ ৰে ইত্যাদি।

(ঝ) চৰ্যাপদত মই, তঁই, মোৰ, মো, তুম্‌হে, তোএ, তোৰা, তোহাৰ, তোহাৰি, মোএ, মেৰি, মোহোৰ আদি সৰ্বনাম ৰূপৰ ব্যৱহাৰ আছে।

(ঞ) কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা 'লেগি' বা 'লাগি' পৰসৰ্গৰ ব্যৱহাৰ চৰ্যাপদতো আছে। যেনে, গঅণ টাকলি লাগি (চৰ্যা ১৬)

শব্দসম্ভাৰৰ দিশৰপৰা পুৰণি অসমীয়া ভাষাত ব্যৱহৃত অসংখ্য তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, দেশী শব্দৰ প্ৰচলন চৰ্যাপদত আছে। যেনে -- তৎসম শব্দ ঃ তৰঙ্গ, তৰুবৰ, নৌকা, বুদ্ধ, সুন্দৰী, শশী, বৈৰী, গঙ্গা, চিত্ত, চঞ্চল, শক্তি ইত্যাদি। অৰ্দ্ধতৎসম শব্দ, যেনে ঃ জউতুকে (যৌতুকে), ৰঅণ (ৰত্ন), পৰস (স্পৰ্শ), দুআৰ (দ্বাৰ), বৰিসঅ (বৰ্ষতি) ইত্যাদি। তদ্ভৱ শব্দৰ নিদৰ্শন, যেনে -- আন (অন্য), পিবই (পিবতি), লোঅ (লোক), সোণ (সুৱৰ্ণ), জউনা (যমুনা), বাক (বাক্য), সসহৰ (শশধৰ), হোই (ভৱতি), নিদ (নিদ্ৰা), নঅৰী (নগৰী), দুই (দ্বে) ইত্যাদি। দেশী শব্দৰ উদাহৰণ যেনে ঃ বপুড়া, ডাল, ধুনি, চীৰা, আলাজালা, আলো, খাল, বোড়ি, মেহেলি, ঘাট ইত্যাদি। প্ৰাচীন অসমীয়া ভাষাত ব্যৱহৃত বহুতো শব্দ চৰ্যাপদত আছে। যেনে, এবেঁ, কেহো, গেল, গলপাস, তেন্তলি, তোৰা, নাহা, বাপ, ভইল, ৰূপা, হাক ইত্যাদি। নিভাঁজ কামৰূপী শব্দৰ প্ৰয়োগো চৰ্যাপদত আছে। যেনে -- লাউ, বেং, হাড়ী, হোউ,



Scanned with CamScanner